# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 13-07-2025
**Time :** 18-00 Hrs

***Assamese EVENING Bulletin***
**:::::::::::::::::::::::::::::::::**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাট জিলাৰ সৰুপথাৰত উপস্থিত হৈ বান পৰিস্থিতিৰ বুজ লয়। তেওঁ শিমলুচাপৰি প্ৰাথমিক বিদ্যালয়ত থকা আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি শিশুসকলৰ সৈতে কিছু সময় পাৰ কৰে। তেওঁ বৰপথাৰৰ মিঠা আম চাপৰি, শিমলুচাপৰি পৰিদৰ্শন কৰি নুমলীগড় উচ্চ মাধ্যমিক বিদ্যালয়ৰ বান সাহায্য শিবিৰত থকা বানপীড়িত ৰাইজৰ খবৰ লয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই বানপীড়িত লোকসকলক সকলো ধৰণৰ সাহায্য প্ৰদান কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে।

উল্লেখযোগ্য যে নাগালেণ্ডত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত গোলাঘাট জিলাৰ ধনশিৰি নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত জিলাখনৰ ৫টা ৰাজহ চক্ৰৰ বিস্তীৰ্ণ অঞ্চল কেইবাদিনো ধৰি বানৰ কবলত আছে। জিলাখনৰ বিভিন্ন স্থানত মুঠ ৩৩টা সাহায্য শিবিৰ মুকলি কৰি জিলা প্ৰশাসনে বানপীড়িত লোকসকললৈ সহায়ৰ হাত আগবঢ়াইছে। মৰঙি ৰাজহ চক্ৰৰ অধীনৰ মুঠ ২৪ খন গাঁৱৰ প্ৰায় ছহেজাৰ লোক বানৰ কবলত পৰিছে। বোকাখাট ৰাজহ চক্ৰৰ মুঠ ৯ খন গাঁৱৰ ৮ সহস্ৰাধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে। একেদৰে খুমটাই ৰাজহ চক্ৰৰ অধীনৰ ৩০ খন গাঁও আৰু গোলাঘাট ৰাজহ চক্ৰৰ মুঠ ২৩ খন গাঁৱৰ প্ৰায় দুহেজাৰ লোক এই বানৰ কবলত পৰিছে।

ooooo

সন্দেহজনক লোকে অবৈধভাৱে ক'ত ভূমি দখল কৰিছে সেই সন্দৰ্ভত শীঘ্ৰেই বন বিভাগে তদন্ত কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাটত প্ৰকাশ কৰে। তেওঁ কয়, যে সৰুপথাৰৰ উৰিয়ামঘাটলৈ সন্দেহজনক লোকৰ আগমন ঘটিছে। উৰিয়ামঘাটৰ পৰা লাহৰীঘাট, ধিং আদিলৈ নিতৌ বাছ চলাচল হোৱাৰ ফলত একাংশই গোলাঘাটৰ জনগাঁথনি পৰিৱৰ্তন কৰাৰ অপচেষ্টা চলাইছে বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয়, যে দুই-এদিনৰ ভিতৰত বন বিভাগৰ এটা দলে অবৈধভাৱে দখল কৰা ভূমি সন্দৰ্ভত তদন্ত আৰম্ভ কৰিব। এই তদন্তৰ পাছত ৰাইজ, বিধায়ক আৰু প্ৰশাসনৰ সৈতে আলোচনা কৰি সিদ্ধান্ত লোৱা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়।

ooooo

ৰাজ্যৰ অন্যান্য প্ৰান্তৰ ধেমাজি জিলাত জাপানীজ এনকেফেলাইটিছৰ প্ৰাদুৰ্ভাৱ অব্যাহত আছে। চিলাপথাৰত এই ৰোগত আক্ৰান্ত হৈ এটি পাঁচবছৰীয়া শিশুৰ মৃত্যু হয়। অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত কেইবাদিন ধৰি চিকিৎসাধীন হৈ থকা অৱস্থাত কালি শিশুটিৰ মৃত্যু ঘটে। জিলাখনত এইপৰ্যন্ত তিনিজন ৰোগীয়ে এই ৰোগত প্ৰাণ হেৰুৱাইছে। স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি জিলাখনত জাপানীজ এনকেফেলাইটিছ সদৃশ ৰোগত ১৯ জন লোক আক্ৰান্ত হৈছে। ইয়াৰে ৭ জনৰ শৰীৰত এই ৰোগৰ উপস্থিতি নিশ্চিত হৈছে। আক্ৰান্তসকলক ধেমাজি অসামৰিক চিকিৎসালয়ত পৰ্যাপ্ত চিকিৎসা প্ৰদান কৰি থকা হৈছে আৰু গুৰুতৰভাৱে আক্ৰান্ত ৰোগীসকলক ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে।

জিলা স্বাস্থ্য বিভাগে এই ৰোগৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে ঠায়ে ঠায়ে ফ'গিং কৰাৰ লগতে আঁঠুৰা ঔষধিকৰণ আৰু সজাগতামূলক কাৰ্যমূলক কাৰ্যসূচী গ্ৰহণ কৰিছে।

গোলাঘাট জিলাৰ বৰপথাৰৰ মিৰিগাঁৱতো এটি ছমহীয়া শিশুৰ এই ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। যোৰহাট চিকিৎসা মহাবিদ্যালয়ত কেইবাদিন ধৰি চিকিৎসাধীন হৈ থকা অৱস্থাত কালি শিশুটিৰ মৃত্যু ঘটে। জাপানীজ এনকেফেলাইটিছ্ ৰোগত শিশুটিৰ মৃত্যু হোৱাৰ খবৰ পোৱাৰ পাছতেই অঞ্চলটোৰ ৰাইজে স্বাস্থ্য বিভাগৰ এই ৰোগৰ প্ৰতিৰোধৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

০০০০০

ৰাজ্যৰ শক্তিমন্ত্ৰী তথা ডিব্ৰুগড় সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকনে আজি মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ অধীনত ডিব্ৰুগড়ৰ ৪৬ গৰাকী ৰোগী আৰু তেঁওলোকৰ পৰিয়ালক এককালিন সাহায্যৰ চেক প্ৰদান কৰে। এই অৰ্থসাহায্যই ৰোগীসকলৰ পৰিয়ালক সকাহ দিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০০

অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত আজি খোৱাং বিধানসভা সমষ্টিত গ্ৰীষ্মকালীন কৰ্মশালাৰ শুভাৰম্ভ কৰা হয়। জিলাখনৰ পিথুবৰ মহাবিদ্যালয়ত ২৫ জুলাই পৰ্যন্ত চলিবলগীয়া কৰ্মশালাত চিত্ৰকলা আৰু হস্তশিল্পৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। আজি উদ্বোধনী অনুষ্ঠানত বিধায়ক চক্ৰধৰ গগৈ, খোৱাং সমজিলাৰ আয়ুক্ত সুপ্ৰিয়া বাউলাৰীৰ লগতে ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

০০০০০

বৰাক উপত্যকাত তিনিদিনীয়া ভ্ৰমণসূচীৰে উপস্থিত হোৱা ৰাজ্য চৰকাৰৰ মুখ্য সচিব ৰবি কোটাই আজি কাছাৰ জিলাত বিভিন্ন আঁচনিৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। তেওঁ জিলাখনত চলি থকা বিভিন্ন আন্তঃগাঁথনি প্ৰকল্পৰ কাম-কাজ পৰিদৰ্শন কৰে। প্ৰকল্পসমূহৰ কামৰ মান আৰু গতি পৰিদৰ্শন কৰি তেওঁ নিৰ্ধাৰিত সময়ৰ ভিতৰত কাম সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। পৰিদৰ্শনৰ সময়ত তেওঁ ৰাষ্ট্ৰীয় ঘাইপথৰ দলঙৰ মেৰামতিৰ কাম পৰিদৰ্শন কৰাৰ লগতে পাঁচগ্ৰাম কাগজকলৰ স্থান আৰু সম্ভাৱনাৰ বিষয়ে অৱগত হয়। ইয়াৰ লগতে তেওঁ পাঁচগ্ৰামত নিৰ্মীয়মান কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়।

০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ বৈথালাংছ'ত আজি জিলা কৃষি বিভাগৰ উদ্যোগত ২০২৫-২৬ বৰ্ষৰ বাবে বিভিন্ন ধৰণৰ খেতিৰ আহিলা বিতৰণ কৰা হয়। কাৰ্বি পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰভাত চন্দ্ৰ টাৰোয়ে জিলাখনৰ কেইবাগৰাকীও আদৰ্শ কৃষকক এই আহিলাসমূহ প্ৰদান কৰে। কাৰ্বি পৰিষদৰ কৃষি বিভাগৰ উদ্যোগত কৃষকৰ বাবে আগবঢ়োৱা এই সঁহাৰিয়ে জিলাখনৰ শস্য উৎপাদনৰ হাৰ যথেষ্ট বৃদ্ধি কৰিব বুলি শ্ৰীটাৰোৱে প্ৰকাশ কৰে।

০০০০০

সমাপ্ত